তত্ত্ব। ইয়াৰ বাবে কোনো বাস্তৱ ভিত্তি নাই।

## মুদ্ৰাৰ পৰিমাণ তত্ত্ব (কেমব্ৰিজ সমীকৰণ বা নগদ ধন জমা বা ৰাহিৰ সমীকৰণ)

## (Quantity Theory of Money– Cambridge version or cash balance Equation)

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ দ্বিতীয় গুৰুত্বপূৰ্ণ ব্যাখ্যাটো হৈছে নগদ ধন জমা বা ৰাহিৰ সমীকৰণ। এই তত্ত্বটোৰ পৃষ্ঠপোষক হৈছে আলফ্ৰেড মাৰ্শ্বেল। তেওঁৰ নেতৃত্বত কেমব্ৰীজ বিশ্ববিদ্যালয়ৰ কেইজনমান অৰ্থনীতিবিদ এ. চি. পিগ', ৰবাৰ্টচন আৰু কেইন্সৰ নাম উল্লেখযোগ্য।

নগদ ধন জমা বা ৰাহিৰ সমীকৰণটোৱে মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত নগদ জমা পুঁজিৰ পৰিমাণক গুৰুত্ব প্ৰদান কৰিছে।

এই তত্ত্ব অনুসৰি এক নিৰ্দিষ্ট সময়ত মুদ্ৰাৰ মূল্য মুদ্ৰাৰ চাহিদা আৰু যোগানৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। মুদ্ৰাৰ চাহিদা আৰু মুদ্ৰাৰ যোগানৰ সমতাৰ ভিত্তিত মুদ্ৰাৰ মূল্য স্থিৰ হয় আৰু দুয়োটাৰ পৰিৱৰ্তন হ'লে মুদ্ৰাৰ মূল্যও পৰিৱৰ্তন ঘটে। এই তত্ত্বৰ মতে মুদ্ৰাৰ মূল্যৰ ভঁৰাল হোৱাৰ বাবে ইয়াৰ প্ৰতি ব্যক্তিৰ চাহিদাৰ সৃষ্টি হয়। এখন সমাজৰ নগদ ধন জমা কৰা চাহিদা দুটা দিশৰ পৰা লক্ষ্য কৰিব পাৰি। এটা হৈছে ব্যক্তিৰ ক্ৰয়-বিক্ৰয়ৰ অভিপ্ৰায় (Transaction motive) আৰু আনটো হৈছে সতৰ্কতামূলক অভিপ্ৰায় (Precautionary motive)।

এই দুটা অভিপ্ৰায়ৰ বাবে প্ৰতিজন ব্যক্তিয়ে নগদ ধন হাতত ৰাখিব বিচাৰে। তেওঁলোকৰ মতে এখন দেশৰ ব্যক্তি, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু চৰকাৰে দৈনন্দিন প্ৰয়োজন পূৰণৰ অৰ্থে যিখিনি নগদ টকা জমা ৰাখে সেইখিনিয়েই হৈছে মুদ্ৰাৰ চাহিদাৰ পৰিমাণ। যিহেতু ব্যক্তিয়ে ব্যয়ৰ পৰিমাণ কম কৰি জমা ধন বৃদ্ধি কৰিব পাৰে বা ৰাহিৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে। লগে লগে দ্ৰব্যৰ প্ৰতি চাহিদাৰ পৰিমাণ হ্ৰাস পায় আৰু দৰস্তৰ হ্ৰাস পায় আৰু মুদ্ৰাৰ মূল্য বৃদ্ধি পায়। ঠিক তেনেদৰে মুদ্ৰাৰ গতি চাহিদা হ্ৰাস পোৱা মানেই হ'ল দ্ৰব্য সামগ্ৰীৰ প্ৰতি চাহিদা বৃদ্ধি পায় আৰু লগে লগে দৰস্তৰো বৃদ্ধি পায় আৰু মুদ্ৰাৰ মূল্য হ্ৰাস পায়।

নগদ ধন জমা বা ৰাহি পদ্ধতিটোৱে মুদ্ৰাৰ মূল্য নিৰ্ধাৰণৰ অৰ্থে ব্যৱহাৰ কৰা মুদ্ৰাৰ চাহিদা আৰু যোগানক অন্তৰ্ভুক্ত কৰি কেইটামান সমীকৰণ আগবঢ়াইছে? এই সমীকৰণকেইটাক একেলগে কেম্ব্ৰিজ সমীকৰণ বুলি জনা যায়। তলত সমীকৰণবোৰৰ ব্যাখ্যা আগবঢ়োৱা হ'ল—

**i) আলফ্ৰেড মাৰ্শ্বেলৰ সমীকৰণ (Marshall's Equation) ঃ** নগদ জমা পুঁজি বা ৰাহি তত্ত্বটোৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰা অৰ্থনীতবিদজন হ'ল আলফ্ৰেড মাৰ্শ্বেল। তেওঁ দিয়া সমীকৰণটো হ'ল—

$$M = KPY$$

$$P = \frac{KY}{M}$$

য'ত,

M = মুঠ মুদ্ৰাৰ পৰিমাণ (নগদ টকা + বেংকৰ মুদ্ৰা)

P = দৰস্তৰ

K = মুঠ প্ৰকৃত উপাৰ্জনৰ নগদ টকাৰ অংশ

Y = মুঠ প্ৰকৃত উপাৰ্জন



Scanned with CamScanner

উপৰোক্ত সমীকৰণটো বিশ্লেষণ কৰিলে দেখা যায় যে Ky অপৰিবৰ্তিত থকা অৱস্থাত মুদ্ৰাৰ যোগান বৃদ্ধি পালে ইয়াৰ ক্ৰয় ক্ষমতা হ্ৰাস পায় আৰু মুদ্ৰাৰ যোগান হ্ৰাস পালে ইয়াৰ ক্ৰয় ক্ষমতা বৃদ্ধি পায়। মাৰ্শ্বেলৰ মতে অৰ্থনীতিত মুদ্ৰাৰ মূল্যৰ পৰিৱৰ্তন M আৰু K বৃদ্ধি পালে Pও বৃদ্ধি পায় আৰু K হ্ৰাস পালে Pও হ্ৰাস পায়। মুঠ কথাত, মাৰ্শ্বেলৰ সমীকৰণ অনুসৰি মুদ্ৰাৰ ক্ৰয় ক্ষমতা নিৰ্ধাৰণৰ অৰ্থে Kyক Mৰে ভাগ কৰি লাভ কৰিব পৰা যায়। অৰ্থাৎ উপাৰ্জনৰ যিটো অংশ নগদ জমা হিচাপে (Ky) ৰাখিব বিচাৰে সেই অংশক মুদ্ৰাৰ যোগান (M)ৰে ভাগ কৰিলে মুদ্ৰাৰ ক্ৰয় ক্ষমতা নিৰ্ণয় কৰিব পাৰি।

**ii) পিগুৰ সমীকৰণ (Pigou's Equation)** ঃ অৰ্থনীতিবিদ পিগুৰ নগদ ৰাহি তত্ত্বৰ সমীকৰণটো হ'ল—

$$P = \frac{KR}{M}$$

য'ত,

P = মুদ্ৰাৰ দৰস্তৰ/মুদ্ৰাৰ ক্ৰয়ক্ষমতা

R = ব্যক্তিৰ নিৰ্দিষ্ট প্ৰকৃত উপাৰ্জন

K = মুঠ প্ৰকৃত উপাৰ্জনৰ নগদ টকাৰ অংশ

M = মুঠ মুদ্ৰাৰ পৰিমাণ

অৰ্থনীতিত মুদ্ৰাৰ যোগান বুলিলে কেৱল নগদ টকাৰ মুদ্ৰাকে নুবুজায়, বেংক মুদ্ৰাকো ইয়াৰ অন্তৰ্ভুক্ত কৰা হয়। অৰ্থাৎ চেকৰ সহায়ত উলিয়াব পৰা মুদ্ৰাকো বুজায়। সেয়েহে এই বেংক মুদ্ৰাক অন্তৰ্ভুক্ত কৰি পিগুৱে তেওঁৰ সমীকৰণটো সংশোধন কৰিছে।

পিগুৰ নগদ ৰাহিৰ সংশোধিত সমীকৰণটো হ'ল—

$$P = \frac{KR}{M}\{(c+h)(1-c)\}$$

য'ত,

C = জনসাধাৰণে বিহিত মুদ্ৰা হিচাপে ৰখা টকাৰ অনুপাত

1 − C = ব্যক্তিয়ে ৰখা বেংকৰ জমাৰ অনুপাত

$h$ = নগদ জমাৰ অনুপাত

পিগুৰ মতে, মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত মুঠ মুদ্ৰাৰ যোগানতকৈ (M) মানুহে নগদ টকা হিচাপে (K) ৰখা জমাৰ পৰিমাণহে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰে। তেখেতৰ মতে K আৰু R স্থিৰে থকা অৱস্থাত মুঠ চাহিদাৰ পৰিমাণ দুগুণে বৃদ্ধি পালে মুদ্ৰাৰ ক্ৰয় ক্ষমতা আধা হয় আৰু চাহিদাৰ পৰিমাণ আধা হ'লে, মুদ্ৰাৰ ক্ৰয় ক্ষমতা দুগুণলৈ বৃদ্ধি পায়।

পিগুৰ মতে, মুদ্ৰাৰ ক্ৰয় ক্ষমতা অন্যান্য উপাদান (P, K, R)ৰ পৰিৱৰ্তনৰ বাবে প্ৰত্যক্ষভাৱে পৰিৱৰ্তন হয়। এই পৰিৱৰ্তন বিপৰীতমুখী হয়। পিগুৰ সমীকৰণটোৱে এইটোও স্পষ্টভাৱে দেখুৱাইছে যে মুদ্ৰাস্ফীতিৰ সময়ত মানুহে নগদ টকা কমকৈ ৰাখিব বিচৰাৰ বাবে Kৰ পৰিমাণ হ্ৰাস পায় আৰু মুদ্ৰা অৱস্ফীতিৰ সময়ত মুদ্ৰাৰ প্ৰতি চাহিদা বৃদ্ধি পায় বাবে Kৰ পৰিমাণ বৃদ্ধি পায়।



Scanned with CamScanner

**iii) ৰবাৰ্টছনৰ সমীকৰণ (Robertson's Equation) ঃ** মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত অৰ্থনীতিবিদ ৰবাৰ্টচনৰ নগদ ৰাহিৰ সমীকৰণটো হ'ল—

$$P = \frac{M}{KT}$$

য'ত,

P = দৰস্তৰ

M = মুঠ মুদ্ৰাৰ পৰিমাণ

T = এটা বছৰ ক্ৰয়-বিক্ৰয় হোৱা দ্ৰব্য-সামগ্ৰী আৰু সেৱা

K = মুঠ প্ৰকৃত উপাৰ্জনৰ নগদ টকা হিচাপে ৰখা Tৰ অংশ

ৰবাৰ্টচনৰ মতে, মুঠ মুদ্ৰাৰ পৰিৱৰ্তনে (M) প্ৰত্যক্ষভাৱে দৰস্তৰ (P)কো পৰিৱৰ্তন ঘটায়। কিন্তু K বা Tৰ পৰিৱৰ্তনে দৰস্তৰক বিপৰীতমুখী ৰূপত পৰিৱৰ্তন ঘটায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে পিগু আৰু ৰবাৰ্টচনৰ সমীকৰণত কিছু সামঞ্জস্য দেখিবলৈ পোৱা যায়। দুয়োটা সমীকৰণটো P, M আৰু Tক একে অৰ্থত ব্যৱহৃত হৈছে। ৰবাৰ্টচনৰ সমীকৰণত আৰু এটা দিশ উল্লেখ কৰিব পাৰি যে ফিচাৰৰ সমীকৰণৰ লগত এই সমীকৰণৰ সামঞ্জস্যতা আছে। ফিচাৰৰ সমীকৰণটো হৈছে $\left(P = \frac{MV}{T}\right)$ আৰু ৰবাৰ্টচনৰ সমীকৰণটো হৈছে— $\left(P = \frac{M}{KT}\right)$।

দুয়োটা সমীকৰণতে P, M আৰু Tৰ অৰ্থ একেই। আৰু V হৈছে Kৰ সম্পূৰ্ণ বিপৰীত। অৰ্থাৎ $V = \frac{1}{K}$

ইয়াত একমাত্ৰ পাৰ্থক্য হৈছে যে ফিচাৰৰ সমীকৰণটোত মুঠ ব্যয়ৰ ওপৰত গুৰুত্ব দিছে আৰু ৰবাৰ্টচ সমীকৰণটোত মুঠ জমা ৰখা মুদ্ৰাৰ ওপৰত গুৰুত্ব দিছে।

**কেইন্সৰ নগদ ৰাহিৰ সমীকৰণ (Keyne's Equation) ঃ** পিগুৰ সমীকৰণটো ত্ৰুটিযুক্ত বুলি অভি কৰি কেইন্সে তেওঁ নগদ ৰাহিৰ ওপৰত এটা নতুন সমীকৰণ আগবঢ়াইছে। তেওঁৰ এই সমীকৰণটোক ( Real Balance Quantity Equation) অৰ্থাৎ প্ৰকৃত জমা পৰিমাণ সমীকৰণ বুলি জনা যায়।

কেইন্সৰ সমীকৰণটো হ'ল—

$$n = PK$$

$$\text{or} \quad P = \frac{n}{K}$$

য'ত,

$n$ = প্ৰচলিত মুদ্ৰাৰ পৰিমাণ

P = উপভোগ্য দ্ৰব্যৰ দৰ

K = নগদ টকা জমা ৰখা উপভোগ্য দ্ৰব্যৰ অংশ

Scanned with CamScanner

Keynesৰ মতে, মুদ্ৰাৰ যোগান ($n$) বৃদ্ধি পালে, দৰস্তৰে (P) বৃদ্ধি পায় যেতিয়া K স্থিৰে থাকে বুলি ধৰি লোৱা হয়। অৰ্থাৎ $n$ৰ পৰিমাণ দুগুণে বৃদ্ধি পালে দৰস্তৰো দুগুণে বৃদ্ধি পাব।

কীন্সৰ তেওঁৰ সমীকৰণটো বেংক মুদ্ৰাক অন্তৰ্ভুক্ত কৰি এটা নতুন সমীকৰণ উলিয়াইছে। সমীকৰণটো হৈছে—

$$n = P\,(K + MK1)$$

$$P = \frac{n}{K + MK1}$$

য'ত,

M = নগদ জমা পুঁজিৰ বেংক আমানত

K1 = বেংক মুদ্ৰা হিচাপে ৰখা প্ৰকৃত জমা যিটো উপভোগ্য দ্ৰব্য ক্ৰয়ৰ বাবে ৰখাৰ পৰিমাণ।

কেইন্সৰ এই নতুন সমীকৰণ অনুসৰি K, K1, M স্থিৰে থকা অৱস্থাত $n$ আৰু Pৰ এটাৰ পৰিৱৰ্তনে আনটোক আনুপাতিক হাৰত পৰিৱৰ্তন ঘটায়। এইটো কেৱল হ্ৰস্বকালীন অৱস্থাতহে প্ৰযোজ্য হ'ব। দীৰ্ঘকালীন সময়ত K, K, M স্থিৰে নাথাকে আৰু $n$ৰ পৰিৱৰ্তনৰ পৰা স্বতন্ত্ৰ নহ'ব পাৰে। $n$ৰ পৰিৱৰ্তনে পূৰ্ণ ৰূপত Pক প্ৰভাৱিত কৰিব নোৱাৰিবও পাৰে। এয়ে কেইন্সৰ মুদ্ৰাৰ নগদ ৰাহিৰ তত্ত্ব।

## নগদ জমা বা ৰাহি তত্ত্বৰ সমালোচনা
## (Criticism of cash balance theory)

মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত নগদ জমা বা ৰাহি তত্ত্বৰে আগবঢ়োৱা ব্যাখ্যাসমূহ নানা কাৰণত সমালোচনাৰ সন্মুখীন হৈছে। ইয়াৰ প্ৰধান সমালোচনাসমূহ হৈছে—

১) মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত নগদ জমা বা ৰাহি তত্ত্বৰে যি সমীকৰণ আগবঢ়াইছে সেয়া কিছু ক্ষেত্ৰত সমালোচনাৰ সন্মুখীন হৈছে। বিশেষকৈ পিগু আৰু কেইন্সে আগবঢ়োৱা সমীকৰণটো সংকীৰ্ণ সমীকৰণ হিচাপেহে পৰিগণিত হৈছে। কাৰণ উক্ত সমীকৰণ দুটাত কেৱল উপভোগ্য দ্ৰব্যসমূহৰ ভিত্তিতহে মুদ্ৰাৰ ক্ৰয় ক্ষমতা নিৰ্ধাৰণ কৰিছে। বজাৰত উপভোগ্য দ্ৰব্যৰ ওপৰত যে বিনিয়োগ দ্ৰব্যও থাকে, তাক সমীকৰণ দুটায়ে অৱহেলা কৰিছে।

২) নগদ জমা বা ৰাহিৰ তত্ত্বটোৰে মুদ্ৰাৰ প্ৰতি চাহিদা সৃষ্টিৰ কাৰণ দেখুৱাবলৈ যাওতে অনুমান অভিপ্ৰায়ক অৱজ্ঞা কৰিছে। তদুপৰি লাভৰ চিন্তাপ্ৰসূত অভিপ্ৰায় মুদ্ৰাৰ প্ৰতি চাহিদা সৃষ্টিৰ এটা প্ৰধান কাৰক যে সেই কথা উল্লেখ কৰা নাই। অৰ্থাৎ সুদৰ হাৰ আৰু উপাৰ্জনৰ পৰিমাণৰ সম্পৰ্কই কেনেকৈ মূল্য নিৰ্ধাৰণত প্ৰভাৱ পেলায় তাৰ বিষয়ে উল্লেখ কৰা নাই।

৩) নগদ জমা বা ৰাহি তত্ত্বত তাৰল্য প্ৰীতি, সঞ্চয়, উৎপাদনশীলতাৰ দৰে উপাদানসমূহৰ অন্তৰ্ভুক্তি কৰা নাই। এনে উপাদানসমূহে মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত যি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায় সেই কথা এই তত্ত্বই কোনো উল্লেখ কৰা নাই।

৪) নগদ জমা বা ৰাহিৰ তত্ত্বত Kৰ ওপৰত প্ৰকৃত উপাৰ্জনৰ প্ৰভাৱৰ কথা অযথা উল্লেখ কৰিছে। Kক প্ৰভাৱিত কৰা অন্যান্য উপাদান যেনে— মুদ্ৰাৰ ব্যৱহাৰ, ব্যৱসায় সংগঠন, দৰসূচী ইত্যাদিৰ দ্বাৰা যে Kক প্ৰভাৱিত কৰে সেই কথা চিন্তা কৰা নাই।

৫) নগদ লেনদেন তত্ত্বৰ দৰে নগদ জমা বা ৰাহিৰ তত্ত্বটোৰেও K আৰু Tক স্থিৰে থাকে বুলি ধাৰণা



Scanned with CamScanner

কৰিছে। যিটো কিন্তু দীৰ্ঘকালত সত্য নহয়।

৬) নগদ জমা বা ৰাহি তত্ত্বটোৱে গতিশীল অৰ্থনীতিৰ মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত ব্যৰ্থ হৈছে। বিশেষকৈ মুদ্ৰাৰ যোগানৰ পৰিবৰ্তনে দৰমূটী আৰু উৎপাদনৰ ওপৰত কেনেকৈ প্ৰভাৱ পেলায় আৰু সুদৰ হাৰৰ প্ৰভাৱৰ বিষয়ে উল্লেখ নকৰি এই তত্ত্বটো তীব্ৰভাৱে সমালোচনাৰ সন্মুখীন হৈছে।

৭) নগদ জমা বা ৰাহিৰ তত্ত্বটোৱে মুদ্ৰাৰ চাহিদাৰ স্থিতিস্থাপকতা একৰ সমান বুলি যি ধাৰণা গ্ৰহণ কৰিছে, ই এটা অবাস্তৱ ধাৰণা। অৰ্থাৎ নগদ জমা বা ৰাহিৰ পৰিমাণ বৃদ্ধি পালে সেই একে স্তৰত দৰস্তৰ হ্ৰাস পোৱা কথাযাৰ কেতিয়াও বাস্তৱ নহয়। গতিশীল অৰ্থনীতিত মুদ্ৰাৰ চাহিদাৰ স্থিতিস্থাপকতা কেতিয়াও একৰ সমান হ'ব নোৱাৰে।

৮) ফিচাৰৰ সমীকৰণৰ দৰে নগদ জমা বা ৰাহি তত্ত্বটোও ব্যৱসায় চক্ৰৰ ব্যাখ্যাৰ ক্ষেত্ৰত বিফল হৈছে। বাণিজ্য চক্ৰৰ প্ৰভাৱত মূল্যস্তৰ, মুদ্ৰা সংকোচনৰ ওপৰত কেনেদৰে প্ৰভাৱ পৰে, সেই বিষয়ে ব্যাখ্যা কৰিব পৰা নাই।

৯) নগদ জমা বা ৰাহি তত্ত্বটো হ্ৰস্বকাল আৰু সংগঠিত অৰ্থনীতিৰ মূল্যস্তৰ নিৰ্ধাৰণৰ অৰ্থে প্ৰভাৱিত হ'লেও উন্নয়নশীল আৰু অসংগঠিত মুদ্ৰা বজাৰৰ অৰ্থনীতিত ইয়াৰ ব্যৱহাৰিক গুৰুত্ব অতি কম।

উপৰোক্ত ত্ৰুটিসমূহ থকা সত্ত্বেও নগদ জমা বা ৰাহি তত্ত্বটো সম্পূৰ্ণৰূপে অকামিলা নহয়। মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত মুদ্ৰাৰ চাহিদাৰ যি গুৰুত্বতা, সেয়া প্ৰতিষ্ঠা কৰি এই তত্ত্বই উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে।

## নগদ লেনদেন আৰু নগদ জমা বা ৰাহি তত্ত্বৰ মাজত তুলনামূলক আলোচনা (Comparison between cash transaction and cash balances Quantity theory)

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ অন্তৰ্গত নগদ লেনদেন আৰু নগদ জমা বা ৰাহি তত্ত্বৰ মাজত তুলনামূলক বিশ্লেষণ কৰিলে দেখা যায় যে দুয়োটা তত্ত্বৰ মাজত কিছু ক্ষেত্ৰত সাদৃশ্যতা পৰিলক্ষিত হয় যদিও কিছু বৈসাদৃশ্য থকাও দেখা যায়। তদুপৰি নগদ জমা বা ৰাহি তত্ত্বৰ শ্ৰেষ্ঠতা সম্পৰ্কেও অৱগত হ'ব পৰা যায়।

প্ৰথমতে দুয়োটা তত্ত্বৰ সাদৃশ্য বা সামঞ্জস্যখিনি আলোচনা কৰা হ'ল—

**সাদৃশ্যতা (Similarities) ঃ**

১। দুয়োটা তত্ত্বই মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত মুদ্ৰাৰ যোগানকে প্ৰাধান্যতা দিছে।

২। দুয়োটা তত্ত্বতে মুদ্ৰাৰ যোগানক গুৰুত্বতা প্ৰদান কৰিছে আৰু নগদ লেনদেনৰ সমীকৰণত মুদ্ৰাৰ যোগানক $MV + M1V1$, নগদ জমা বা ৰাহিৰ সমীকৰণত M আৰু $n$য়ে মুদ্ৰাৰ পৰিমাণক নিৰ্দেশ কৰিছে। অৱশ্যে ফিচাৰৰ সমীকৰণত বেংক মুদ্ৰা ($M_1$) আৰু বেংক মুদ্ৰাৰ প্ৰচলনৰ ($V_1$) গতিক অন্তৰ্ভুক্ত কৰিছে। কিন্তু নগদ জমা বা ৰাহিৰ তত্ত্বটো (কেম্ব্ৰিজ সমীকৰণ) বেংক মুদ্ৰাৰ আৰু বেংক মুদ্ৰাৰ প্ৰচলনৰ গতিৰ কথা উল্লেখ নাই।

৩। ৰবাৰ্টচন আৰু ফিচাৰৰ সমীকৰণটো একেই। কিয়নো ৰবাৰ্টচনৰ সমীকৰণত $P = \frac{M}{KT}$ আৰু ফিচাৰৰ সমীকৰণত $P = \frac{MV}{T}$। দুয়োটাৰ মাজত সাদৃশ্যতা আছে। পাৰ্থক্য কেৱল V আৰু Kৰ ক্ষেত্ৰতহে। কিন্তু V আৰু K দুয়োটায়ে ইটো-সিটোৰ পাৰস্পৰিক।



Scanned with CamScanner

ৰবার্টচনৰ সমীকৰণত $K = \frac{M}{PT}$ আৰু

ফিচাৰৰ সমীকৰণত $V = \frac{PT}{M}$

গতিকে $K = \frac{1}{V}$ আৰু $K = \frac{1}{K}$ এই দুয়োটাৰ মাজত মৌলিক পাৰ্থক্য নাই।

৪। প্ৰকৃততে দুয়োটা সমীকৰণে মুদ্ৰাৰ বিনিময় কাৰ্যৰ ওপৰতে গুৰুত্ব প্ৰদান কৰিছে।

**বৈসাদৃশ্য (Dissimilarities) ঃ** উপৰোক্ত সাদৃশ্যতা থাকিলেও দুয়োটা তত্ত্বৰ মাজত কিছু বৈসাদৃশ্যও পৰিলক্ষিত হয়।

১। দুয়োটা সমীকৰণে P চিহ্নক ব্যৱহাৰ কৰিছে কিন্তু ব্যৱহৃত P চিহ্নৰ অৰ্থগত দিশত বৈসাদৃশ্যতা পৰিলক্ষিত হয়।

ফিচাৰৰ সমীকৰণৰ P চিহ্নই মূল্যবস্তুৰ বা দৰস্তৰক বুজাইছে কিন্তু কেম্ব্ৰিজ সমীকৰণত P চিহ্নই উপভোগ্য দ্ৰব্যৰ দৰসূচীক দেখুৱাইছে।

২। ফিচাৰৰ সমীকৰণত মুদ্ৰাৰ প্ৰতি চাহিদা মূল কাৰণ হিচাপে মুদ্ৰাৰ বিনিময় মাধ্যম হিচাপে ব্যৱহাৰ হোৱা কাৰ্যাৱলীৰ বাবে মুদ্ৰাৰ প্ৰতি চাহিদা সৃষ্টি হয় বুলি কৈছে আৰু কেম্ব্ৰিজ সমীকৰণত মুদ্ৰাক মূল্যৰ ভঁৰাল হিচাপে ব্যৱহাৰ হোৱা কাৰ্যাৱলীৰ বাবে মুদ্ৰাৰ গতি চাহিদা সৃষ্টি হয় বুলি মতামত প্ৰকাশ কৰিছে।

৩। ফিচাৰৰ সমীকৰণত মুদ্ৰাৰ প্ৰচলন গতি (V)ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। আৰু কেম্ব্ৰিজ সমীকৰণত প্ৰকৃত জমা টকা (K)ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

৪। ফিচাৰৰ সমীকৰণত মুদ্ৰাৰ মূল্য নিৰ্ধাৰণৰ বিষয়টো এক সময়কালৰ (Period of time) ক্ষেত্ৰত প্ৰযোজ্য আৰু কেম্ব্ৰিজ সমীকৰণত মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত এক নিৰ্দিষ্ট সময়বিন্দুৰ (Point of time) ক্ষেত্ৰত প্ৰযোজ্য।

৫। ফিচাৰৰ সমীকৰণটো এটা প্ৰবাহৰ লগত (Flow) তুলনা কৰা হয় আৰু কেম্ব্ৰিজ সমীকৰণক মজুতৰ (stock) লগত তুলনা কৰা হয়।

## নগদ জমা পুঁজি বা ৰাহি সমীকৰণৰ শ্ৰেষ্ঠতা
## (Comparative Superiority of cash Balance Approach)

অৰ্থনীতিবিদসকলে দুয়োটা সমীকৰণ বিশ্লেষণ কৰি মতামত প্ৰকাশ কৰি কৈছে যে নগদ লেনদেন সমীকৰণতকৈ নগদ জমা পুঁজি বা ৰাহিৰ তত্ত্বটোৰ শ্ৰেষ্ঠতা অধিক। অৰ্থনীতিবিদসকলে তেওঁলোকৰ সমৰ্থনযোগ্য মতামতসমূহ নিম্নোক্ত কাৰণসমূহৰ পৰা শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব বিচাৰিছে। তলত এই শ্ৰেষ্ঠতা সম্পৰ্কে আলোচনা কৰা হ'ল—

১। নগদ জমা পুঁজি বা ৰাহি তত্ত্বটো এটা বাস্তৱসন্মত তত্ত্ব। এই সমীকৰণে মানুহৰ আৰ্থিক কাম-কাজ আৰু মানুহৰ অভিপ্ৰায়সমূহৰ কথা ব্যাখ্যা কৰিছে। ফিচাৰৰ নগদ লেনদেন তত্ত্বটোৱে মুদ্ৰাৰ যোগান আৰু দৰস্তৰৰ মাজত এটা যান্ত্ৰিক সম্পৰ্কহে দেখুৱাব পাৰিছে। কিন্তু কেম্ব্ৰিজ সমীকৰণটো বাস্তৱতাৰ ভিত্তি হোৱাৰ বাবে শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব পাৰিছে।

২। নগদ জমা পুঁজি বা ৰাহি তত্ত্বটো এটা সম্পূৰ্ণ তত্ত্ব। কিয়নো মুদ্ৰাৰ মূল্য নিৰ্ধাৰণত চাহিদা আৰু যোগান দুয়োটাকে প্ৰাধান্য দিছে। কিন্তু নগদ লেনদেন তত্ত্বটোত কেৱল মুদ্ৰাৰ যোগানৰ কথাহে উল্লেখ কৰিছে। মুদ্ৰাৰ



Scanned with CamScanner

চাহিদাক সম্পূৰ্ণকৈ আওকাণ কৰি বহু সময়ত ই সমালোচনাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল।

৩। কেম্ব্ৰিজ সমীকৰণটো সম্পূৰ্ণৰূপে উপাৰ্জনৰ লগত জড়িত হোৱাৰ বাবে ইয়াৰ ব্যাপকতা আৰু গুণগত মান যথেষ্ট উল্লেখনীয়। কিন্তু ফিচাৰৰ সমীকৰণে কেৱল লেনদেনৰ সৈতে জড়িত হোৱাৰ বাবে ই যথেষ্ট ঠেক গণ্ডীত সোমাই পৰিছে।

৪। কেম্ব্ৰিজ সমীকৰণত মুদ্ৰাৰ প্ৰতি চাহিদা সৃষ্টিৰ কাৰক হিচাপে কিছুমান মনোবৈজ্ঞানিক উপাদানৰ প্ৰভাৱৰ কথাও উল্লেখ কৰিছে। আৰু তত্ত্বটো অধিক বাস্তৱসন্মত কৰি তুলিছে। কিন্তু ফিচাৰৰ সমীকৰণত তেনে কোনো মনোবৈজ্ঞানিক উপাদানৰ কথা উল্লেখ কৰা নাই।

৫। কেম্ব্ৰিজ সমীকৰণত Kৰ অন্তৰ্ভুক্তিয়ে নতুন ব্যাখ্যা আগবঢ়াইছিল, যিটো ফিচাৰৰ সমীকৰণত উল্লেখ নাছিল। ফিচাৰৰ সমীকৰণ অনুসৰি মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তনতহে দৰস্তৰৰ পৰিৱৰ্তন হয়। কিন্তু কেম্ব্ৰিজ সমীকৰণে দেখুৱাইছে যে মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তন নোহোৱাকৈ দৰস্তৰৰ পৰিৱৰ্তন হ'ব পাৰে। এনে পৰিৱৰ্তনৰ মূল কাৰণ হৈছে Kৰ পৰিৱৰ্তন। পৰৱৰ্তী সময়ত বাণিজ্য চক্ৰৰ প্ৰকৃত কাৰণ নিৰ্ধাৰণত Kৰ প্ৰভাৱে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

৬। কেইন্সৰ সূত্ৰৰ তাৰল্য প্ৰীতি তত্ত্বটো কেম্ব্ৰিজ সমীকৰণক ভিত্তি হিচাপে লৈ প্ৰস্তুত কৰিছিল। আধুনিক আয় আৰু নিয়োগ তত্ত্বৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে কেইন্সৰ তত্ত্বটোৱে অৰ্থনীতিত এক আধাৰ সৃষ্টি কৰিলে।

৭। কেম্ব্ৰিজ সমীকৰণত যিবোৰ চলক ব্যৱহাৰ কৰা হৈছে সেইবিলাক সম্পূৰ্ণৰূপে বাস্তৱসন্মত চলক। কিন্তু ফিচাৰৰ সমীকৰণত ব্যৱহৃত চলকসমূহৰ কোনো বাস্তৱসন্মতৰ ভিত্তি নাই। কেম্ব্ৰিজ সমীকৰণত ব্যৱহৃত P, Tয়ে চূড়ান্ত দ্ৰব্যৰ দৰস্তৰক বুজাইছে।

কিন্তু ফিচাৰৰ সমীকৰণত ব্যৱহৃত P, Tয়ে লেনদেন হোৱা সকলোবোৰ দ্ৰব্যৰ সাধাৰণ দৰস্তৰক বুজাইছে।

৮। অৰ্থনীতিবিদ কুৰিহাৰা (Kurihara)ৰ মতে, ফিচাৰৰ সমীকৰণতকৈ কেম্ব্ৰিজ সমীকৰণটো অধিক বাস্তৱসন্মত সমীকৰণ। কেম্ব্ৰিজ সমীকৰণ $P = \frac{KT}{M}$ আৰু ফিচাৰৰ সমীকৰণ $P = \frac{MV}{T}$ তকৈ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত অধিক উন্নত।

কেম্ব্ৰিজ সমীকৰণত ব্যক্তিৰ হাতত থকা নগদ টকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে কিন্তু ফিচাৰৰ সমীকৰণত ব্যক্তিৰ মুঠ ব্যয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। কুৰিহাৰাৰ মতে ব্যক্তিৰ নগদ টকাৰ বিষয়ে সহজে জানিব পৰা যায় কিন্তু ব্যক্তিৰ ব্যয়ৰ বিষয়ে জানিবলৈ অসুবিধা হয়। তাৰ বাবে তথ্য সংগ্ৰহ সহজে কৰিব পৰা নাযায়।

সেয়েহে তাত্ত্বিক দিশৰ উপৰিও ব্যৱহাৰিক দিশৰ পৰাও কেম্ব্ৰিজ সমীকৰণক ফিচাৰৰ সমীকৰণতকৈ শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হয়।

## মিল্টন ফ্ৰিডমেনৰ মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ পুনৰ ব্যাখ্যা (Milton Friedman's Restatement of the Quantity Theory of M

মুদ্ৰাৰ পৰি